পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

THE ASSAM GAZETTE

অসাধাৰণ

EXTRAORDINARY

প্ৰাপ্ত কৰ্তৃত্বৰ দ্বাৰা প্ৰকাশিত

PUBLISHED BY THE AUTHORITY

নং 46 দিশপুৰ, মঙ্গলবাৰ, 3 ফেব্ৰুৱাৰী, 2026, 14 মাঘ, 1947 (শক)

No. 46 Dispur, Tuesday, 3rd February, 2026, 14th Magha, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

NOTIFICATION

The 3rd February, 2026

No. LGL.196/2017/100.– The following Act of the Assam Legislative Assembly which received the assent of the Hon'ble Governor of Assam on 29th January, 2026 is hereby published for general information.

ASSAM ACT NO. IV OF 2026

(Received the assent of the Hon'ble Governor of Assam on 29th January, 2026)

THE ASSAM AGRICULTURAL PRODUCE AND LIVESTOCK MARKETING (PROMOTION AND FACILITATION) (AMENDMENT) ACT, 2025

AN
ACT

to amend the Assam Agricultural Produce and Livestock Marketing (Promotion and Facilitation) Act, 2020.

Preamble

Whereas it is expedient further to amend the Assam Agricultural Produce and Livestock Marketing (Promotion and Facilitation) Act, 2020 hereinafter referred to as the principal Act, in the manner hereinafter appearing,

Assam Act No. XXIV of 2022

It is hereby enacted in the Seventy-sixth Year of the Republic of India as follows: -

Short title, extent and commencement

1. (1) This Act may be called the Assam Agricultural Produce and Livestock Marketing (Promotion and Facilitation) (Amendment) Act, 2025.

(2) It shall have the like extent as the principal Act.

(3) It shall come into force at once.

Amendment of section 2

2. In the principal Act, in section 2,

(i) for clause (1),, the following shall be substituted, namely:-

"(1) "agricultural produce" means all produce, whether processed or not, of agriculture, horticulture, apiculture, sericulture and forest excluding trees grown on private land, specified in the schedule or any other produce as may be notified by the State Government from time to time;"

(ii) in clause (2),

(a) in the first line, in between the words "an" and "occupant", the words "owner or" and in the second line, in between the words "and" and "is engaged" the words "a sharecropper" shall be inserted;

(b) in the **Explanation 1**, in the first line, for the words "famers", and in the third line, for the word "farmer", the word "agriculturist" shall be substituted,

(iii) after clause (2), the following new clause (2a) shall be inserted, namely:–

"(2a) "Autonomous Council" means any autonomous council established under an Act of the Assam State Legislature;"

(iv) for clause (12), the following shall be substituted, namely:-

"(12) "Delineated market area" means any area declared to be a delineated market area under section 4 of this Act;"

(v) after clause 18, two new clauses shall be inserted, namely:—

"(18a) "Livestock" means cows, buffaloes, bullocks, bulls, goats, sheeps, pigs, rabbits, camels, fish and poultry as specified in the Schedule or as may be notified by the State Government from time to time."

"(18b) "Livestock product" means various food product which includes meat (mutton, chevon, pork), milk, egg, butter, cheese, paneer, ice-cream, curd, honey, bees wax and non-food products which includes wool, leather and fiber obtained from livestock."

(vi) after clause (29), the following new clause (29a) shall be inserted, namely:-

"(29a) "principal market yard" means a place declared as a principal market yard under section 13 of the Act;"

(vii) after clause (38), the following new clause (38a) shall be inserted, namely:-

"(38a) "sub-market yard" means a place declared as a sub-market yard under section 13 of the Act;"

Amendment of section 3

3. In the principal Act, in section 3,

(i) in sub-section (1), in the third line, for the words and punctuation mark "in the state subject to fulfillment of such criteria," appearing in between the words and punctuation mark "produce," and "as may be" the words "in such area" shall be substituted;

(ii) in the first proviso, in the first line, in between the words "Council" and "shall be" and in the second line, in between the words "Council" and "concerned", the words "or an Autonomous Council" shall be inserted;

(iii) in the second proviso, in the second line, in between the words "Council" and "within thirty" the words "or an Autonomous Council" shall be inserted.

Amendment of section 4

4. In the principal Act, for section 4, the following shall be substituted:-

"4. After the expiry of the period specified in the notification issued under section 3 of the Act and after considering such objections and suggestions as may be received before such expiry and after making such inquiry as may be necessary, the State Government may, by another notification, declare the area specified in the notification issued under section 3 or any portion thereof to be a delineated market area and marketing of all or any of the kinds of agricultural produce specified in the notification issued under section 3 shall be regulated under this Act in such delineated market area. The notification issued under this section shall also be published in such area in the manner as may be prescribed."

Omission of section 5

5. In the principal Act, section 5 shall be omitted.

Amendment of section 7

6. In the principal Act, in section 7, in sub-section (1), in the second and fourth line, for the word and figure "section 5" appearing in between the words "under" and "of the", the word and figure "section 6" shall be substituted;

Amendment of section 8

7. In the principal Act, in section 8, in sub-section (1), in the first line, for the word and figure "section 5" appearing in between the words "under" and "of the", the word and figure "section 6" shall be substituted.

Amendment of section 9

8. In the principal Act, in section 9, in sub-section (1), in the second line, for the word and figure "section 5" appearing in between the words "under" and "of the", the word and figure "section 6" shall be substituted.

Omission of section 14

9. In the principal Act, section 14 shall be omitted.

Amendment of section 48

10. In the principal Act, for section 48, the following shall be substituted, namely:-

"48. (1) The Board shall consist of 9 (nine) members to be nominated by the State Government.

(2) The State Government shall, amongst the persons so nominated under sub-section (1), nominate one person to be the Chairperson of the Board and another person to be the Vice Chairperson of the Board."

Amendment of section 49

11. In the principal Act, for section 49, the following shall be substituted, namely:-

"49. The members of the Board shall, save as otherwise provided in this Act, hold office for a period of five years."

Amendment of section 51

12. In the principal Act, in section 51, in sub-section (2), in the first line, the words "other than an ex-officio member" appearing in between the words "Board" and "may" shall be deleted.

Amendment of section 106

13. In the principal Act, in section 106, for sub-section (1),

(i) in the third line, for the word "principal market yard or sub-market yard" appearing in between the words "into the" and "for sale", the words "delineated market area" shall be substituted;

(ii) for the second proviso, the following shall be substituted, namely:-

"Provided further that, if on any agricultural produce market fee has already been levied and collected in any delineated market area by the market committee of such area, and if such agricultural produce is sold or processed in any other delineated market area within the State or exported outside the State it shall be exempted from the levy of market fee."

Omission of section 143

14. In the principal Act, section 143 shall be omitted.

২০২৬ চনৰ অসম অধিনিয়ম নং ৪

(২০২৬ চনৰ ২৯ জানুৱাৰী তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

অসম কৃষি উৎপাদন আৰু পশুধন
বিপণন (প্ৰচাৰ আৰু সুবিধা) (সংশোধন) অধিনিয়ম, ২০২৫

এখন

অধিনিয়ম

৩ ফেব্ৰুৱাৰী, ২০২৬

অসম কৃষি উৎপাদন আৰু পশুধন বিপণন (প্ৰচাৰ আৰু সুবিধা) অধিনিয়ম, ২০২০ ক পৰৱৰ্তী সংশোধন কৰিবলৈ।

প্ৰস্তাৱনা

যিহেতু অসম কৃষি উৎপাদন আৰু ৪পশুধন বিপণন (প্ৰচাৰ আৰু সুবিধা) অধিনিয়ম, ২০২০, মূল অধিনিয়ম বুলি যিখনক ইয়াৰ পিছত প্ৰসংগ নিৰ্দেশ কৰা হৈছে, ইয়াৰ পিছত প্ৰতীত ধৰণেৰে পৰৱৰ্তী সংশোধন কৰাটো কালোচিত;

২০২২ চনৰ অসম অধিনিয়ম নং XXIV

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত ইয়াক নিম্নলিখিত ধৰণেৰে অধিনিয়মিত কৰা হৈছে:

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ

১। (১) এই অধিনিয়মখন অসম কৃষি উৎপাদন আৰু পশুধন বিপণন (প্ৰচাৰ আৰু সুবিধা) (সংশোধন) অধিনিয়ম, ২০২৫ বুলি অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ মূল অধিনিয়মখনৰ দৰেই হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলবৎ হ'ব।

ধাৰা ২ৰ সংশোধন

২। মূল অধিনিয়মত, ধাৰা ২ ত,

(i) খণ্ড (১)ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:–

"(১) "কৃষি উৎপাদন" মানে অনুসূচীত বিনিৰ্দিষ্ট, ব্যক্তিগত ভূমিত উপজাত গছ-গছনি বা ৰাজ্য চৰকাৰে সময়ে সময়ে অধিসূচীত কৰা তেনে অন্য উৎপাদনৰ ব্যতিৰেকে প্ৰক্ৰিয়াকৃত হওঁক বা নহওঁক, কৃষি, উদ্যান পালন, মৌ-পালন, ৰেচম উদ্যোগ আৰু বনাঞ্চলৰ সকলো উৎপাদন;"

(ii) খণ্ড (২)ত,

(ক) প্ৰথম শাৰীত, শব্দাৱলী "এক" আৰু "অধিবাসী"ৰ মাজত, শব্দাৱলী "মালিক বা" আৰু দ্বিতীয় শাৰীত শব্দাৱলী "আৰু" আৰু "নিয়োজিত হৈছে" ৰ মাজত শব্দাৱলী "এজন আধিয়াৰ" অন্তঃস্থাপিত কৰা হ'ব ;

(খ) স্পষ্টীকৰণ ১ ত, প্ৰথম শাৰীত, শব্দ "কৃষক" ৰ সলনি আৰু তৃতীয় শাৰীত শব্দ "কৃষক" ৰ সলনি, শব্দ "কৃষিবিদ" প্ৰতিষ্ঠাপিত হ'ব ;

(iii) খণ্ড (২)ৰ পিছত, নিম্নলিখিত নতুন খণ্ড (২ক) স্থাপিত কৰা হ'ব, যথা:—

"(২ক) "স্বায়ত্তশাসিত পৰিষদ" মানে অসম ৰাজ্যিক বিধানমণ্ডলৰ এখন অধিনিয়মৰ অধীনত স্থাপিত কোনো স্বায়ত্তশাসিত পৰিষদ ;"

(iv) খণ্ড (১২) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত কৰা হ'ব, যথা:—

"(১২) "চিহ্নিত বজাৰ এলেকা" মানে এই অধিনিয়মৰ ধাৰা ৪ ৰ অধীনত এক চিহ্নিত বজাৰ এলেকা বুলি ঘোষণা কৰা কোনো এলেকা ;"

(v) খণ্ড ১৮ ৰ পিছত, দুটা নতুন খণ্ড স্থাপিত কৰা হ'ব, যথা:—

"(১৮ক) "পশুধন" মানে ঘৰচীয়া প্ৰাণী যিয়ে অনুসূচীত বিনিৰ্দিষ্ট অথবা ৰাজ্য চৰকাৰে সময়ে সময়ে যথা অধিসূচিত কৰা গৰু, ম'হ, বলদ, ষাড়, ছাগলী, ভেড়া গাহৰি, শহাপহু, উট, মাছ আৰু হাঁহ-কুকুৰাক অন্তৰ্ভুক্ত কৰে।"

"(১৮খ) "পশুধন সামগ্ৰী" মানে বিভিন্ন খাদ্য সামগ্ৰী যিয়ে মাংস (ভেড়াৰ মাংস, ছাগলীৰ মাংস, গাহৰিৰ মাংস), গাখীৰ, কণী, মাখন, চীজ, পনীৰ, আইচক্ৰীম, দৈ, মৌজুল, মৌ-সিতা অন্তৰ্ভুক্ত কৰে আৰু খাদ্য হিচাপে অব্যৱহৃত সামগ্ৰী যিয়ে পশুধনৰ পৰা প্ৰাপ্ত ঊণ, চামৰা আৰু আঁহ ও অন্তৰ্ভুক্ত কৰে।"

(vi) খণ্ড (২৯) ৰ পিছত, নিম্নলিখিত নতুন খণ্ড (২৯ক) স্থাপিত কৰা হ'ব, যথা:—

"(২৯ক) "মূল বজাৰ প্ৰাঙ্গণ" মানে অধিনিয়মৰ ধাৰা ১৩ ৰ অধীনত মূল বজাৰ প্ৰাঙ্গণ হিচাপে ঘোষিত এক স্থান;"

(vii) খণ্ড (৩৮) ৰ পিছত, নিম্নলিখিত নতুন খণ্ড (৩৮ক) স্থাপিত কৰা হ'ব, যথা:—

"(৩৮ক) "উপ-বজাৰ প্ৰাঙ্গণ" মানে অধিনিয়মৰ ধাৰা ১৩ ৰ অধীনত এখন উপ-বজাৰ প্ৰাঙ্গণ হিচাপে ঘোষিত এক স্থান;"

ধাৰা ৩ ৰ সংশোধন

৩। মূল অধিনিয়মত, ধাৰা ৩ ত,

(i) উপ-ধাৰা (১) ত, তৃতীয় শাৰীত, শব্দাৱলী আৰু বিৰাম চিহ্ন "উৎপাদন" আৰু "যিদৰে হ'ব পাৰে" ৰ মাজত প্ৰতীত শব্দাৱলী আৰু বিৰাম চিহ্ন "ৰাজ্যত এনে নিৰ্ণায়কৰ পৰিপূৰ্ণতাৰ সাপেক্ষে" ৰ সলনি শব্দাৱলী "এনে এলেকাত" প্ৰতিস্থাপিত কৰা হ'ব;

(ii) প্ৰথম উপবিধিত, প্ৰথম শাৰীত, শব্দাৱলী "পৰিষদ" আৰু "হ'ব" ৰ মাজত আৰু দ্বিতীয় শাৰীত, শব্দাৱলী "পৰিষদ" আৰু "সংশ্লিষ্ট" ৰ মাজত, শব্দাৱলী "বা এক স্বায়ত্তশাসিত পৰিষদ" অন্তঃস্থাপিত কৰা হ'ব;

(iii) দ্বিতীয় উপবিধিত, দ্বিতীয় শাৰীত, শব্দাৱলী "পৰিষদ" আৰু "ত্ৰিশৰ ভিতৰত" ৰ মাজত শব্দাৱলী "বা এক স্বায়ত্তশাসিত পৰিষদ" স্থাপন কৰা হ'ব।

ধাৰা ৪ৰ সংশোধন

৪। মূল অধিনিয়মত, ধাৰা ৪ ৰ সলনি, নিম্নলিখিত প্ৰতিস্থাপিত হ'ব:–

"৪। অধিনিয়মৰ ধাৰা ৩ ৰ অধীনত জাৰিকৃত অধিসূচনাত বিনিৰ্দিষ্ট অৱধিৰ সমাপ্তিৰ পিছত আৰু তেনে সমাপ্তিৰ পূৰ্বে প্ৰাপ্ত তেনে আপত্তি আৰু পৰামৰ্শসমূহ বিবেচনা কৰাৰ পিছত আৰু প্ৰয়োজনীয় তদন্ত কৰাৰ পিছত, ৰাজ্য চৰকাৰে, অন্য অধিসূচনাৰ দ্বাৰা, ধাৰা ৩ অথবা তাৰ যিকোনো অংশৰ অধীনত জাৰিকৃত অধিসূচনাত বিনিৰ্দিষ্ট এলেকাক এখন চিহ্নিত বজাৰ এলেকা বুলি ঘোষণা কৰিব পাৰে আৰু ধাৰা ৩ৰ অধীনত জাৰিকৃত অধিসূচনাত বিনিৰ্দিষ্ট সকলো অথবা যিকোনো প্ৰকাৰৰ কৃষিভিত্তিক উৎপাদনৰ বিপণন এই অধিনিয়মৰ অধীনত তেনে চিহ্নিত বজাৰ এলেকাত বিনিয়মন কৰা হ'ব। এই ধাৰাৰ অধীনত জাৰিকৃত অধিসূচনা যথাবিহিত ধৰণে তেনে এলেকাত প্ৰকাশ ও কৰা হ'ব।"

(ii) ষষ্ঠ শাৰীত, শব্দাৱলী আৰু সংখ্যা "ধাৰা ৩" আৰু "আৰু সেইটো" ৰ মাজত, শব্দাৱলী "বা ইয়াৰ যিকোনো অংশ চিহ্নিত বজাৰ এলেকা হ'ব" অন্তঃস্থাপিত কৰা হ'ব;

(iii) অষ্টম শাৰীত, শব্দাৱলী আৰু বিৰাম চিহ্ন "এই অধিনিয়ম" আৰু "।" ৰ মাজত, শব্দাৱলী "এনে চিহ্নিত বজাৰ এলেকাত" অন্তঃস্থাপিত কৰা হ'ব।

ধাৰা ৫ ৰ লোপকৰণ

৫। মূল অধিনিয়মত, ধাৰা ৫ লোপ হ'ব।

ধাৰা ৭ৰ সংশোধন

৬। মূল অধিনিয়মত, ধাৰা ৭ত, উপ-ধাৰা (১)ত, দ্বিতীয় আৰু চতুৰ্থ শাৰীত, শব্দাৱলী "অধীন" আৰু "ৰ" ৰ মাজত প্ৰতীত শব্দ আৰু সংখ্যা "ধাৰা ৫" ৰ সলনি, শব্দ আৰু সংখ্যা "ধাৰা ৬" প্ৰতিষ্ঠাপিত কৰা হ'ব;

ধাৰা ৮ৰ সংশোধন

৭। মূল অধিনিয়মত, ধাৰা ৮ত, উপ-ধাৰা (১)ত, প্ৰথম শাৰীত, শব্দাৱলী "অধীন" আৰু "ৰ" মাজত প্ৰতীত শব্দ আৰু সংখ্যা "ধাৰা ৫" ৰ সলনি আৰু শব্দ আৰু সংখ্যা "ধাৰা ৬" প্ৰতিষ্ঠাপিত কৰা হ'ব।

ধাৰা ৯ৰ সংশোধন

৮। মূল অধিনিয়মত, ধাৰা ৯ত, উপ-ধাৰা (১)ত, দ্বিতীয় শাৰীত, শব্দাৱলী "অধীন" আৰু "ৰ" মাজত প্ৰতীত শব্দ আৰু সংখ্যা "ধাৰা ৫" ৰ সলনি, শব্দ আৰু সংখ্যা "ধাৰা ৬" প্ৰতিষ্ঠাপিত কৰা হ'ব।

ধাৰা ১৪ ৰ লোপকৰণ

৯। মূল অধিনিয়মত, ধাৰা ১৪ লোপ হ'ব।

ধাৰা ৪৮ৰ সংশোধন

১০। মূল অধিনিয়মত, ধাৰা ৪৮ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত কৰা হ'ব, যথা:–

"৪৮। (১) বোৰ্ডখন ৰাজ্য চৰকাৰৰ দ্বাৰা মনোনীত কৰিবলগীয়া ৯ (ন) জন সদস্যৰে গঠিত হ'ব।

(২) ৰাজ্য চৰকাৰে, উপ-ধাৰা (১) ৰ অধীনত এনেদৰে মনোনীত ব্যক্তিসকলৰ মাজৰ এজন ব্যক্তিক বোৰ্ডৰ অধ্যক্ষ আৰু অন্য এজন ব্যক্তিক বোৰ্ডৰ উপাধ্যক্ষ হিচাপে মনোনীত কৰিব।"

ধাৰা ৪৯ৰ সংশোধন

১১। মূল অধিনিয়মত, ধাৰা ৪৯ ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত কৰা হ'ব, যথা:—

"৪৯। এই অধিনিয়মত, অন্যথা উপবন্ধিত কৰাৰ ব্যতিৰেকে সদস্যসকলে পাঁচ বছৰৰ এক অৱধিৰ বাবে পদ ধাৰণ কৰিব।"

ধাৰা ৫১ৰ সংশোধন

১২। মূল অধিনিয়মত, ধাৰা ৫১ ত উপ-ধাৰা (২)ত, প্ৰথম শাৰীত, শব্দাৱলী "বোৰ্ড" আৰু "পাৰে" ৰ মাজত প্ৰতীত শব্দাৱলী "এজন পদেন সদস্যৰ বাহিৰে" উঠাই দিয়া হ'ব।

ধাৰা ১০৬ ৰ সংশোধন

১৩। মূল অধিনিয়মত, ধাৰা ১০৬ত, উপ-ধাৰা (১)ৰ সলনি,

(i) তৃতীয় শাৰীত, শব্দাৱলী "অভিমুখে" আৰু "বিক্ৰীৰ বাবে" ৰ মাজত প্ৰতীত শব্দ "মূল বজাৰ প্ৰাঙ্গণ বা উপ-বজাৰ প্ৰাঙ্গণ" ৰ সলনি, শব্দাৱলী "চিহ্নিত বজাৰ এলেকা" প্ৰতিষ্ঠাপিত কৰা হ'ব।

(ii) দ্বিতীয় উপবিধিৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত কৰা হ'ব, যথা:—

"পৰন্ত যদি কোনো কৃষিজাত উৎপাদনৰ ওপৰত বজাৰ মাচুল ইতিমধ্যে কোনো চিহ্নিত বজাৰ এলেকাত তেনে এলেকাৰ বজাৰ সমিতিৰ দ্বাৰা উদ্‌গ্ৰহণ আৰু সংগ্ৰহ কৰা হৈছে, আৰু যদি এনে কৃষি উৎপাদন ৰাজ্যৰ ভিতৰত কোনো অন্য চিহ্নিত বজাৰ এলেকাত বিক্ৰী বা প্ৰক্ৰিয়াকৰণ কৰা হয় বা ৰাজ্যৰ বাহিৰলৈ ৰপ্তানি কৰা হয়, ইয়াক বজাৰ মাচুলৰ উদ্‌গ্ৰহণৰ পৰা ৰেহাই দিয়া হ'ব।"

ধাৰা ১৪৩ ৰ লোপকৰণ

১৪। মূল অধিনিয়মত, ধাৰা ১৪৩ লোপ হ'ব।

গীতাঞ্জলী দাস শইকীয়া,
সচিব, অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ, গুৱাহাটী-৬।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 91 - 50 + 10 - 03 - 02 - 2026. (visit at– dpns.assam.gov.in)